স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

...৫ জুলাই ২০২৬ চন □ VOL-16 □ NO-131 □ WEDNESDAY 15 JULY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBR...

সান

...ঙলবাৰে
...ৰনিটী
... ত্যাগ

...ঞ্জিয়াৰ



## কানৈ মহাবিদ্যালয়
## আজিৰ পৰা প্ৰথম ষাণ্মাসিকৰ পাঠদান আৰম্ভ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৪ জুলাই ঃ যি সময়ত একাংশ শিক্ষানুষ্ঠানত নিয়মীয়াকৈ পাঠদান অনুষ্ঠিত নহয় বুলি বিভিন্ন সময়ত গুৰুতৰ অভিযোগ উত্থাপন হৈ আহিছে, সেই সময়তে অসমৰ মহাবিদ্যালয়সমূহত গ্ৰীষ্মকালীন বন্ধ চলি থকাৰ ১০ পৃষ্ঠাত

### যুৱকৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি ডিব্ৰুগড়ৰ নিৰ্মালি গাঁৱত উত্তপ্ত পৰিস্থিতি

# মৃতদেহ লৈ মানকটা পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ ৰাইজৰ



নিয়মীয়া বাৰ্তা, লাহো... জুলাই ঃ যুৱকৰ ৰহস্যজন... কেন্দ্ৰ কৰি আজি নিশা ... উত্তপ্ত পৰিস্থিতিৰ সৃ... ডিব্ৰুগড়ৰ নিৰ্মালি গ... বছৰীয়া যুৱক শংকৰ প...

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

১৫ জুলাই ২০২৬ চন ☐ VOL-16 ☐ NO-131 ☐ WEDNESDAY 15 JULY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBR

## আজিৰ পৰা প্ৰথম যান্মাসিকৰ পাঠদান আৰম্ভ

সময়তে অসমৰ ঐতিহ্যপূৰ্ণ তথা অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত
কাইলৈৰ পৰা প্ৰথম যান্মাসিকৰ ৬টা বিভাগৰ পাঠদান বহুকেইটা উদ্ভাৱনীমূলক কাৰ্যসূচীৰে শুভাৰম্ভ হ'ব।
মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জানিবলৈ দিয়া মতে, মহাবিদ্যালয়খনত কাইলৈৰ পৰা সমাজশাস্ত্ৰ,
মনস্তত্ত্ব, শিক্ষাতত্ত্ব, সাংবাদিকতা, জৈৱ প্ৰযুক্তি আৰু কম্পিউটাৰ বিজ্ঞান বিভাগৰ বহুকেইটা উদ্ভাৱনীমূলক
কাৰ্যসূচীৰে পাঠদান অনুষ্ঠিত হ'ব। মহাবিদ্যালয়খনৰ নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ যোগেদি মহানিমৰ
পুলি ৰোপণ কৰি গছপুলি ৰোপণেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকলক গুগল ফৰ্মৰ
কিউআৰক'ড প্ৰদান কৰি তিনি বা চাৰি বছৰৰ পিছত সেই ছাত্ৰ-ছাত্ৰীসকলে নিজকে ক'ত চাব বিচাৰে সেই
সম্পৰ্কে তথ্য সংগ্ৰহ কৰা হ'ব। মহাবিদ্যালয়খনত সম্পূৰ্ণ প্ৰযুক্তি পদ্ধতিৰে কিউআৰ ক'ডভিত্তিক কেম্পাছ ভ্ৰমণ
তথা অন্বেষণৰ সুযোগ দিয়া হ'ব। ছাত্ৰ-ছাত্ৰীসকলক কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ আৰু মহাবিদ্যালয়খনত ইয়াৰ সা-
সুবিধা ইত্যাদিৰ বিষয়ে চুটি ছবিৰে প্ৰদৰ্শন কৰা হ'ব। মহাবিদ্যালয়খনৰ পাঠদানৰ এই প্ৰথম দিনটোতে এখন
ভৱিষ্যতৰ সপোনৰ দেৱাল নিৰ্মাণ কৰিব আৰু প্ৰথম দিনাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষানীতি-২০২০
আধাৰত উচ্চ শিক্ষাৰ গুৰুত্ব, দক্ষতা বিকাশ আৰু কেনেকৈ কেৱল এজন ডিগ্ৰীধাৰী নহৈ এজন প্ৰকৃত মানৱ
সম্পদ হ'ব পাৰি সেই সম্পৰ্কে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ লগতে অধ্যাপক ড° মৃদুল
শৰ্মায়ো অনুপ্ৰেৰণামূলক বক্তৃতা প্ৰদান কৰিব। উল্লেখ্য যে নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ স্মৃতি যুগমীয়া কৰিবলৈ
'আজিৰ পৰা কানৈয়ান হ'লোঁ, কানৈয়ান হিচাপে গৌৰৱবোধ কৰিছোঁ' শীৰ্ষক এক ছেলফি পইণ্ট তৈয়াৰ কৰা
হৈছে আৰু নৱাগত ছাত্ৰ-ছাত্ৰীসকলে তাত ফটো উঠি গৌৰৱবোধ কৰাৰ সুযোগ লাভ কৰিব।

## ১০ বছৰৰ পিছতো

অসম চৰকাৰৰ স্থিতি জানিব বিচাৰে। বিধায়ক
উত্তৰ হিচাপে বিধানসভাত উপস্থিত থকা সা
কেশৱ মহন্তই উল্লেখ কৰে যে, বিভাগীয়
২৭/২০০৫/২৬১তাৰিখ ২৫/০১/২০১৬ (প
চৰাইদেউ মহকুমাৰ সমগ্ৰ এলেকা সামৰি চৰাই
চৰাইদেউ মৈদামসমূহ অক্ষুন্ন ৰাখি চৰাইদেউ জি
শিৱসাগৰ জিলাৰ নাজিৰা ৰাজহ চক্ৰৰ অন্তৰ্গত
জিলাৰ সোণাৰি ৰাজহ চক্ৰলৈ স্থানান্তৰৰ বিষ
এক প্ৰস্তাৱ বৰ্তমানে চৰকাৰৰ বিবেচনাধীন
২০২৭ৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা
সালসলনিৰ ক্ষেত্ৰত 'মাৰ্চ-২০২৭ৰ লৈকে বাধা
বিধায়কগৰাকীৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰ হিচাপে
লোকপিয়ল ২০২৭ৰ সৈতে জড়িত কেন্দ্ৰীয়
(পৰিশিষ্ট-খ)' ১ জানুৱাৰী ২০২৬ৰ পৰা ম
প্ৰশাসনিক অধিকাৰ ক্ষেত্ৰত সালসলনি সম্ভ

## চৰাইদেউৰ কলাক

সংৰক্ষণৰ বাৰ্তা প্ৰদানৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীস